অসম চৰকাৰ

জিলা দণ্ডাধীশৰ কাৰ্যালয় :: দৰং :: মঙ্গলদৈ

(প্ৰশাসন শাখা)

Tel : 03713 222135 :: Fax – 03713 222800, Email : dc-darrang@nic.in, Website : http:www.darrang.nic.in

নং ডি. এ. এন - ৬/২০২০/১০ তাৰিখঃ ১৮/০৬/২০২০

## গোহাৰি

সকলো বন্দুকধাৰী লোকৰ জ্ঞাতাৰ্থে জনোৱা হয় যে ঃ-

১) ভাৰত চৰকাৰৰ দ্বাৰা প্ৰকাশিত The Arms (Ammendment) act , 2019 No. 48 of 2019 আইনৰ ধাৰা ৩(১) মতে এজন বক্তিয়ে মাত্ৰ দুটি বন্দুক ৰাখিব পাৰিব। তাতোধিক বন্দুক এই আইন ঘোষণা হোৱাৰ পৰাই অবৈধ বুলি গণ্য কৰা হব। সেয়ে দৰং জিলা দণ্ডাধীশৰ দ্বাৰা গৃহীত অণুজ্ঞাপত্ৰধাৰী তেনে ব্যক্তিক হাতত থকা দুটাতকৈ অধিক বন্দুক চৰকাৰৰ ১৯/০৩/২০২০ তাৰিখৰ এইচ্ এম্ এম্ ১৪/২০১৮/৮২ নং চিঠিৰ নিৰ্দেশনা অনুযায়ী অহা ১৩/১২/২০২০ তাৰিখৰ ভিতৰত সংশ্লিষ্ট থানাত জমা দি জমা দিয়া ৰছিদ সহ মূল অনুজ্ঞাপত্ৰ সংশোধনৰ বাবে দৰং জিলা দণ্ডাধীশ কাৰ্যালয়ৰ প্ৰশাসন শাখাত জমা দিবলৈ জনোৱা হ'ল।

২) ইয়াৰ ওপৰিও কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ অনুযায়ী সকলো বন্দুকধাৰী লোকৰ জ্ঞাতাৰ্থে জনোৱা হয় যে দৰং জিলা দণ্ডাধীশৰ যোৱা ১১/০৩/২০২০ তাৰিখৰ ডি, এ, এন্ ৬/২০২০/৬ নং গোহাৰি মতে যিসকল বন্দুকধাৰীয়ে এতিয়ালৈ Uploading of Arms Licence Particulars in NDAL (National Database on Arms Licence) Portal কৰা নাই আৰু UIN (Unique Identification Number) সৃষ্টি কৰা নাই, তেওঁলোকক অহা ২৯/০৬/২০২০ তাৰিখৰ ভিতৰত UIN সৃষ্টি কৰিবলৈ ইয়াৰে জনোৱা হ'ল, অন্যথা অনুজ্ঞাপত্ৰৰ ম্যাদ স্বয়ংক্ৰিয়ভাৱে খাৰিজ হ'ব।

স্বাক্ষৰ
অতিঃ জিলা দণ্ডাধীশ
দৰং, মঙ্গলদৈ

স্মাৰক নংঃ ডি. এ. এন - ৬/২০২০/১০ ক তাৰিখঃ ১৮/ ০৬/২০২০

প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু কাৰ্যকৰণাৰ্থে প্ৰেৰণ কৰা হ'লঃ-

১) আৰক্ষী অধীক্ষক, দৰং, মঙ্গলদৈ।

২) জিলা তথ্য আৰু জন সম্পৰ্কৰক্ষী বিষয়া, দৰং, মঙ্গলদৈ। তেখেতে FLS যোগে আৰু স্থানীয় সংবাদ পত্ৰত প্ৰচাৰৰ ব্যৱস্থা ল'ব।

৩) জিলা তথ্য বিষয়া , NIC, দৰং জিলা দণ্ডাধীশৰ কাৰ্যালয়। তেখেতে Website যোগে প্ৰচাৰৰ ব্যৱস্থা ল'ব।

৪) দৰং জিলাৰ সকলো থানাৰ ভাৰপ্ৰাপ্ত বিষয়ালৈ।

৫) সম্পাদক, মঙ্গল বাতৰি, মঙ্গলদৈলৈ প্ৰচাৰৰ বাবে।

৬) জাননী ফলক, উপায়ুক্তৰ কাৰ্যালয় আৰু দৰং জিলাৰ সকলো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়।

অতিঃ জিলা দণ্ডাধীশ
দৰং, মঙ্গলদৈ